**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-01-2026
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ঐতিহাসিক **সোমনাথ স্বাভিমান পৰ্ব**ৰ অংশস্বৰূপে প্ৰভাস পাটানত অনুষ্ঠিত শৌৰ্য্য যাত্ৰাত ভাগ লয়।

২। ইউৰোপৰ সৈতে ভাৰতৰ সম্পৰ্ক ক্ৰমান্বয়ে অধিক সৌহাৰ্দপূৰ্ণ হৈ উঠাটোৰ প্ৰতিফলন ঘটিছে বিদেশ মন্ত্ৰী ডঃ এছ্ জয়শংকৰে তেওঁৰ ফ্ৰান্স আৰু লাগ্‌জেমবাৰ্গ ভ্ৰমণৰ সামৰণি মাৰিছে।

৩। জম্মু আৰু কাশ্মীৰৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ নিয়ন্ত্ৰণ ৰেখাত নিৰাপত্তা বাহিনীয়ে সতৰ্কতা বৃদ্ধি কৰিছে। ***আৰু***

৪। গুজৰাটৰ বডোডৰাত অনুষ্ঠিত প্ৰথমখন এদিনীয়া ক্ৰিকেট খেলত ভাৰতে টছত জিকি নিউজিলেণ্ডক বেট ধৰিবলৈ আমন্ত্ৰণ জনাইছে।

০০০০

গুজৰাট ভ্ৰমণৰ দ্বিতীয় দিনা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ঐতিহাসিক **সোমনাথ স্বাভিমান পৰ্ব**ৰ অংশস্বৰূপে প্ৰভাস পাটানত অনুষ্ঠিত শৌৰ্য্য যাত্ৰাত ভাগ লয়। ১০৮ টা ঘোঁৰাৰে এই যাত্ৰা সম্পন্ন কৰা হয়। সোমনাথ মন্দিৰৰ সুৰক্ষাৰ বাবে দেশৰ অগণন যোদ্ধাৰ অৱদানক সন্মান জনোৱাৰ উদ্দেশ্যে এই শৌৰ্য্য যাত্ৰা অনুষ্ঠিত হয়। গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল, উপ মুখ্যমন্ত্ৰী হৰ্য ছাংভিও প্ৰধানমন্ত্ৰীৰ এই যাত্ৰাৰ সময়ত উপস্থিত থাকে। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা হাজাৰ হাজাৰ ভক্তিপ্ৰাণ লোকে এই যাত্ৰাত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সোমনাথ মন্দিৰৰ সুৰক্ষাৰ বাবে জীৱন আহুতি দিয়া অগণন যোদ্ধালৈ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁ সোমনাথ মহাদেৱৰ প্ৰতি প্ৰাৰ্থনা জনোৱাৰ লগতে পুজাও আগবঢ়ায়। উপস্থিত জনসমাগমত ভাষণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে ২০২৬ বছৰটোক এটা উল্লেখনীয় বছৰ হিচাপে অভিহিত কৰে। উল্লেখযোগ্য যে ১৯৫১ চনৰ ১১ মে'ত সোমনাথ মন্দিৰ পুনৰ মুকলি কৰা হৈছিল। এই পৰ্বত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ষড়যন্ত্ৰমূলকভাৱে দেশক বা দেশৰ জনসাধাৰণক ভাগ ভাগ কৰিব খোজা অপশক্তিৰ বিৰুদ্ধে আমি এক হৈ যুজিব লাগিব। তেওঁ কয় যে সোমনাথ মন্দিৰ পুনৰ উজ্জীৱিতকৰণ প্ৰক্ৰিয়াত বাধা দিয়া বহু লোক এতিয়াও দেশত সক্ৰিয় হৈ আছে। তেওঁ লগতে কয় যে এই শক্তিসমূহ ভাৰতৰ বিৰুদ্ধে এতিয়াও ষড়যন্ত্ৰত লিপ্ত হৈ আছে আৰু এই ষড়যন্ত্ৰই ভাৰতক অধিক শক্তিশালী কৰি তুলিছে।

০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ডঃ এছ্ জয়শংকৰে তেওঁৰ ফ্ৰান্স আৰু লাগ্‌জেমবাৰ্গ ভ্ৰমণৰ সামৰণি মাৰিছে। মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণৰ জৰিয়তে ইউৰোপৰ সৈতে ভাৰতৰ সম্পৰ্ক ক্ৰমান্বয়ে অধিক সৌহাৰ্দপূৰ্ণ হৈ উঠাটোৰ

প্ৰতিফলন ঘটিছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এটা বিবৃতিত উল্লেখ কৰা হৈছে। বিবৃতিটোত প্ৰকাশ পোৱা মতে, ড° জয়শংকৰে এই ভ্ৰমণৰ সময়ছোৱাত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ' আৰু বিদেশ মন্ত্ৰী জিন নোৱেল বেৰটৰ সৈতে দ্বিপাক্ষিক আলোচনাত অংশগ্ৰহণ কৰে। এই বৈঠকৰ সময়ত তেওঁলোকে ভাৰত - ফ্ৰান্স উদ্ভাৱন বৰ্ষৰ সৈতে সংগতি ৰাখি উদ্ভাৱন আৰু প্ৰযুক্তি, ষ্টাৰ্ট আপ, স্বাস্থ্য খণ্ড, শিক্ষা আদিকে ধৰি ভিন ভিন দিশক সামৰি মত বিনিময় কৰে। একে সময়তে প্ৰতিৰক্ষা, নিৰাপত্তা, মহাকাশ, অসামৰিক পাৰমাণৱিক ক্ষেত্ৰ, সমুদ্ৰ পথৰ সুৰক্ষা, অৰ্থনীতি আৰু আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰৰ উন্নয়নকে ধৰি ভালেমান দিশৰ ক্ৰমবৰ্ধমান সহযোগিতাৰ বিষয়সমূহেও তেওঁলোকৰ আলোচনাত স্থান লাভ কৰে।

উল্লেখযোগ্য যে ফ্ৰান্সৰ ৰাষ্ট্ৰদূতসকলৰ ৩১ সংখ্যক সন্মিলনত ড০ জয়শংকৰে সন্মানীয় সদস্য হিচাপে অংশগ্ৰহণ কৰে। ইয়াৰ জৰিয়তে তেৰেঁই এই সন্মিলনত সন্মানীয় সদস্য হিচাপে ভাগ লোৱা ইউৰোপৰ বাহিৰৰ কোনো দেশৰ প্ৰথমগৰাকী মন্ত্ৰী হিচাপে পৰিগণিত হৈছে।

০০০০

পাকিস্তানৰ সিন্ধ প্ৰদেশত এজন হিন্দু কৃষকৰ হত্যাকাণ্ড সংঘটিত হোৱা বুলি সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পাইছে। কেলাশ কোহলী নামৰ কৃষকজনক তেওঁ খেতি কৰা মাটিৰ গৰাকী ছৰফৰাজ নিজামনিয়ে হত্যা কৰা বুলি অভিযোগ উত্থাপিত হৈছে। এই ঘটনাৰ পাছত হিন্দু সম্প্ৰদায়ৰ লোকসকলে বিভিন্ন ঠাইত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ঘটনাটো সন্দৰ্ভত পাকিস্তানৰ আৰক্ষীয়ে যোৱা নিশা  সিন্ধ প্ৰদেশৰ হায়দৰাবাদৰ পৰা অভিযুক্ত ভূ-স্বামী ছৰফৰাজ নিজামনিকে ধৰি দুজন লোকক গ্ৰেপ্তাৰ কৰে। ২৩ বছৰ বয়সীয়া হিন্দু খেতিয়কজনে তালহাৰ গাঁৱৰ বাসিন্দা নিজামনিৰ ভূমিত যোৱা ৪ জানুৱাৰীত এটা আশ্ৰয়গৃহ স্থাপন কৰাৰ অভিযোগত লোকজনে তেওঁক গুলীয়াই হত্যা কৰা বুলি প্ৰকাশ পাইছে।

০০০০

জম্মু আৰু কাশ্মীৰত সীমান্তৰ সিপাৰৰ পৰা অবৈধ সামগ্ৰীৰ চোৰাং সৰবৰাহৰ ঘটনা বৃদ্ধি পোৱা পৰিপ্ৰেক্ষিতত নিৰাপত্তা বাহিনীয়ে আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ নিয়ন্ত্ৰণ ৰেখাত সতৰ্কতা বৃদ্ধি কৰিছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা মতে আসন্ন বন্ধৰ দিনকেইটাত অনুপ্ৰৱেশ অথবা যুদ্ধবিৰতি উলংঘনৰ যিকোনো ধৰণৰ চেষ্টাক প্ৰতিহত কৰাৰ উদ্দেশ্যে সীমান্তত নিৰাপত্তা অধিক শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সেই অনুসৰি গুৰেজ, উৰি, কাৰ্ণা আৰু টাংধৰ খণ্ডকে ধৰি গুৰুত্বপূৰ্ণ সীমান্ত অঞ্চলৰ লগতে জম্মু অঞ্চলৰ বিভিন্ন স্পৰ্শকাতৰ এলেকাত সতৰ্কতা বৃদ্ধি কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় সীমান্তক সামৰি বৃহত্তৰ অঞ্চলত সীমান্ত নিৰাপত্তা বাহিনীৰ জোৱানসকলে তহলদাৰী আৰু ডিজিটেল ব্যৱস্থাৰ নিৰীক্ষণকে ধৰি সকলো ধৰণৰ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে বুলি নিৰাপত্তা বাহিনীৰ সূত্ৰই প্ৰকাশ কৰিছে। সীমান্তৰ সিপাৰৰ পৰা হ'ব পৰা যিকোনো ধৰণৰ কূটাঘাতমূলক কাৰ্যকলাপক প্ৰতিহত কৰিব পৰাকৈ নিৰাপত্তা বাহিনী প্ৰস্তুত হৈ আছে বুলিও সূত্ৰটোৱে লগতে জানিবলৈ দিয়ে।

উল্লেখযোগ্য যে, সীমান্তৰ ছাম্বা জিলাত পাকিস্তানী ড্ৰোণৰ জৰিয়তে পেলোৱা অস্ত্ৰ-শস্ত্ৰ এটা টোপোলা সীমান্ত নিৰাপত্তা বাহিনীয়ে উদ্ধাৰ কৰিছে। বাহিনীটোৰ নিয়মীয়া তালাচীৰ সময়ত উদ্ধাৰ হোৱা এই টোপোলাটোত দুটা পিষ্টল, তিনিটা মেগজিন, ১৬ জাই গুলী আৰু এটা গ্ৰেনেড আছিল বুলি বি এছ এফৰ তৰফৰ পৰা সদৰি কৰা হৈছে। সময়োপযোগী এই অভিযানৰ জৰিয়তে দেশৰ নিৰাপত্তাৰ প্ৰতি দেখা দিব পৰা ভাবুকি প্ৰতিহত হোৱাৰ পাছত সীমান্ত

অঞ্চলত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰি তোলা হৈছে। ইয়াৰ মাজতে নিয়ন্ত্ৰণ ৰেখাৰ কাষৰীয়া অখনোৰ খণ্ডৰ সীমামূৰীয়া খাৰা গাঁৱত এটা সন্দেহজনক পাৰ চৰাই ধৰা পৰা বুলিও বাহিনীটোৱে প্ৰকাশ কৰিছে। গাঁওখনৰ এজন কিশোৰৰ হাতত পৰা এই পাৰ চৰাইটোৰ ঠেঙত ৰঙা আৰু হালধীয়া ৰঙৰ আঙুঠি পিন্ধাই থোৱাৰ লগতে কেতবোৰ সন্দেহজনক আখৰো উদ্ধাৰ কৰা হৈছে। সীমান্ত অঞ্চলত অস্ত্ৰ-শস্ত্ৰ লগতে নিচাযুক্ত সামগ্ৰীৰ অবৈধ সৰবৰাহৰ বিষয়টোৰ প্ৰতিও গুৰুত্ব সহকাৰে দৃষ্টি আৰোপ কৰা হৈছে বুলি নিৰাপত্তা বাহিনীয়ে জানিবলৈ দিছে।

০০০০

জম্মু-কাশ্মীৰৰ কথুৱা জিলাৰ সীমান্ত অঞ্চলত স্থাপন কৰা বাংকাৰসমূহৰ অগ্ৰগতিৰ বুজ লোৱাৰ বাবে কালি অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত জিলাখনৰ উপায়ুক্ত ৰাজেশ শৰ্মাই অধ্যক্ষতা কৰে। আকাশবাণীৰ জম্মুৰ সংবাদদতাৰ প্ৰতিবেদনত প্ৰকাশ পোৱা মতে, এই বৈঠকত কামৰ অগ্ৰগতি, বাধা চিনাক্তকৰণ আৰু সময়মতে বাংকাৰসমূহ স্থাপনৰ কাম সম্পন্ন কৰাৰ সন্দৰ্ভত আলোচনা কৰা হয়। উল্লেখযোগ্য যে কথুৱা জিলাত ৮০২ টা বাংকাৰ স্থাপনৰ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰে ৭১৭ টা ব্যক্তিগত আৰু ৮৫ টা সমুহীয়া বাংকাৰ। বৰ্তমানলৈ ৭৯৬ টা বাংকাৰ স্থাপনৰ কাম সম্পূৰ্ণ হৈছে। মাত্ৰ এটা সমুহীয়া বাংকাৰ আৰু ৫ টা ব্যক্তিগত বাংকাৰ স্থাপনৰ কাম সম্পূৰ্ণ হ'বলৈ বাকী আছে। সম্পূৰ্ণ হোৱা আটাইকেইটা বাংকাৰ ইতিমধ্যে সংশ্লিষ্ট পক্ষসমূহলৈ হস্তান্তৰ কৰা হৈছে। উপায়ুক্তগৰাকীয়ে এই মাহৰ শেষৰ ফালে সকলো বাংকাৰ স্থাপনৰ কাম সম্পন্ন কৰাৰ বাবে সংস্থাসমূহক নিৰ্দেশ দিছে। তেওঁ সীমান্তৰ বাসিন্দাসকলৰ নিৰাপত্তা আৰু সুৰক্ষাক প্ৰশাসনে প্ৰাথমিক অগ্ৰাধিকাৰৰ বিষয় হিচাপে লোৱা বুলি প্ৰকাশ কৰে। উপায়ুক্তগৰাকীয়ে স্থগিত হৈ থকা বিত্তীয় কামসমূহ নিৰ্ধাৰিত সময়ৰ ভিতৰতে সম্পন্ন কৰিবলৈকো নিৰ্দেশ দিছে। কৰ্তৃপক্ষই তৃণমূল পৰ্যায়ত সহযোগিতা বৰ্তাই ৰাখিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়াৰ লগতে কামসমূহৰ নিয়মীয়া নিৰীক্ষণৰ ব্যৱস্থা নিশ্চিত কৰিছে।

০০০০

গুজৰাটৰ বডোডৰাত অনুষ্ঠিত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত আলহী দল নিউজিলেণ্ডে এই বাতৰি যুগুতোৱাৰ পৰলৈকে ৩ অভাৰত এটাও উইকেট নেহেৰুওৱাকৈ ৭ ৰাণ সংগ্ৰহ কৰি খেলি আছে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি বলিঙৰ সিদ্ধান্ত লয়।

উল্লেখযোগ্য যে ৰোহিত শৰ্মা আৰু বিৰাট কোহলিক শৃংখলাটোৰ বাবে দলত অন্তৰ্ভুক্ত কৰা হৈছে। ঋষভ পণ্টক আঘাটৰ বাবে শৃংখলাৰ পৰা বাদ দিয়া হৈছে। শুভমন গিলে এই শৃংখলাত ভাৰতীয় দলৰ নেতৃত্বৰ দায়িত্ব বহন কৰিছে।

শৃংখলাৰ দ্বিতীয়খন খেল অহা ১৪ জানুৱাৰীত ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত আৰু তৃতীয়খন খেল ১৮ জানুৱাৰীত ইন্দোৰৰ হলকাৰ ষ্টেডিয়ামত খেলোৱা হ'ব।

০০০০

সমাপ্ত